# সচিব (পূৱ) পেলেষ্টাইনলৈ ভ্ৰমণ

০৯ জুলাই ২০১৫

ভাৰত চৰকাৰৰ বহি:পৰিক্ৰমা মন্ত্ৰনালয়ৰ সচিব শ্ৰী ওয়াধওৱা ৮-৯ জুলাই ২০১৫ দুদিনৰ চৰকাৰী পেলেষ্টাইন ভ্ৰমন কৰিব ।

আজি সন্ধিয়া মাননীয় শ্ৰী ওয়াধওৱা পেলেষ্টাইনৰ ৰাষ্ট্ৰপতি মাননীয় মাহমুদ আব্বাচৰ সৈতে সাক্ষাত কৰে ।বৈঠকত দুয়ো পক্ষই বিভিন্ন দ্বিপাক্ষীক বিষয় আৰু পশ্চিম এছিয়াৰ দীৰ্ঘদিন ধৰি ৰৈ থকা শান্তি প্ৰক্ৰিয়া সম্বন্ধে আলোচনা কৰে ।মাননীয় শ্ৰী ওয়াধওৱাই পেলেষ্টাইনৰ বিদেশ মন্ত্ৰনালয়ৰ উষ্চস্তৰীয় বিষয়া সকলৰ সৈতেও সাক্ষাত কৰে ।

অহাকাল লৈ মাননীয় ওয়াধওৱা পেলেষ্টাইনৰ প্ৰধানমন্ত্ৰী মাননীয় ড:ৰামী হামদাল্লাহৰ সৈতে সাক্ষাত কৰিব ।শ্ৰীওয়াধওৱাই আচিৰা –অল-শামালেহে মহিলা সকলৰ কাৰনে জৱাহাৰলাল নেহেৰু চেকেন্ডাৰী স্কুলৰ উদ্বোধন কৰিব ।এই প্ৰকল্পটো ভাৰত চৰকাৰ আৰু ভাৰতৰ জনগনৰ তৰফৰ পৰা পেলেষ্টাইনক প্ৰদান কৰা উপহাৰ ।পেলেষ্টাইনে বাৰতীয় প্ৰকল্পসমুহৰ মাজত সেই স্কুল খন এটা আৰু সেই দেশৰ স্ব-ক্ষমতা বৃদ্ধিৰ লক্ষৰে ভাৰতীয় উদ্যোগৰ এটা অংশ ।

পেলেষ্টাইনত চলি থকা অন্যান্য ভাৰতীয় প্ৰকল্পৰ মাজত আছে আবু দিচৰ লৰাৰ কাৰনে জৱাহৰলাল নেহেৰু চেকেন্ডাৰী স্কুল,আই চি টি বিষয়ে ভাৰত-পেলেষ্টাইনচেন্টাৰ অৱ এক্সেলেন্স স্থাপন,অল কুদচ ইউনিভাৰ্চিটিত ডিজিটেল লাৰ্নিঙ এন্ড ইনোভেশ্বন চেন্টাৰ স্থাপন(যিটোৰ ৰামাল্লাত এটা চেটেলাইট চেন্টাৰ থাকিব)আৰু পেলেষ্টাইনত সাতটা বৃত্তিমুলক প্ৰশিক্ষণ কেন্দ্ৰত কাৰীকৰি আৰু বৃত্তিমুলক শিক্ষা প্ৰশিক্ষণ (টি.ভি.ই.টি)সম্পৰ্কীয় যন্ত্ৰপাতি আৰু প্ৰশিক্ষণ সেৱা প্ৰদান কৰা হৈছে ।

০৮ জুলাই ২০১৫